# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 12-FEB-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
--------------------

১।	প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেইবাটাও কাৰ্যসূচীৰে পৰহিলৈ অসম আগমন।

২।	মাজুলীত মুখ্যমন্ত্ৰীৰ উদ্যমিতা পুঁজিৰ চেক বিতৰণ। কেইবাটাও উন্নয়নমূলক প্ৰকল্প উদ্বোধন।

৩।	প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ অসমলৈ এহেজাৰ ৮১৯ কোটি টকাত অনুমোদন।

৩।	ৰাজ্যজুৰি কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাই আহ্বান জনোৱা সাধাৰণ ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ।

**আৰু**

৫।	টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ । টছত জিকি নামিবিয়াৰ প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কেইবাটাও প্ৰকল্প উদ্বোধন কৰাৰ উদ্দেশ্যে পৰহিলৈ অসমলৈ আহিব। শ্ৰীমোদীয়ে অহা শনিবাৰে মৰাণত জৰুৰীকালীন অৱস্থাত উৰণ-অৱতৰণ কৰিব পৰাকৈ বিশেষভাবে বিকশাই তোলা ঘাইপথত অৱতৰণ কৰিব। ইয়াৰ পূৰ্বে তেওঁ প্ৰথমে চাবুৱাস্থিত বায়ুসেনা ঘাটিত উপস্থিত হ'ব আৰু তাৰ পৰা মৰাণলৈ যাব। এই জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰখন বায়ুসেনাৰ কাৰণে কৌশলগত বিষয়ত বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে। যুদ্ধ অথবা যিকোনো জৰুৰীকালীন অৱস্থাত পৰম্পৰাগত বিমান বন্দৰসমূহ অচল হৈ পৰিলে এই বিকল্প অৱতৰণ ক্ষেত্ৰ সেনাবাহিনীৰ বাবে ফলপ্ৰসূ হ'ব। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ পূৰ্বে আজি মৰাণত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু বিমানৰ জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত পৰীক্ষামূলক উৰণ আৰু অৱতৰণৰ চূড়ান্ত অনুশীলন কৰা হৈছে। ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ উত্তৰ পূবৰ এই প্ৰথমখন জৰুৰীকালীন অৱতৰণ ক্ষেত্ৰত কালি ছুখয়-থাৰ্টি, ৰাফেল, তেজছ যুঁজাৰু বিমানৰ লগতে হাৰ্কিউলিছ আৰু এণ্টন'ভ এ এন থাৰ্টি-টু পৰিবহণ বিমানে অৱতৰণ আৰু উৰণৰ কৌশল প্ৰদৰ্শন কৰে।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰীগৰাকী গুৱাহাটীলৈ আহিব আৰু তেওঁ ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মাণ কৰা গুৱাহাটী - উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেঁতুখন মুকলি কৰিব। ইয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত থকা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এমৰ অস্থায়ী চৌহদ উদ্বোধন কৰিব আৰু কেন্দ্ৰীয় পুঁজিৰে ক্ৰয় কৰা ১০০ খনৰো অধিক বৈদ্যুতিক বাছ ৰাজ্য চৰকাৰক অৰ্পণ কৰিব। প্ৰধানমন্ত্ৰীয়ে লগতে আমিনগাঁৱত হাইপাৰ স্কেল তথ্য কেন্দ্ৰ মুকলি কৰিব। ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে গুৱাহাটীত বিজেপিৰ দলীয় কৰ্মীসকলৰ এখন বৈঠকতো অংশগ্ৰহণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীৰ অসম ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত আজি কামৰূপ মহানগৰ জিলা আয়ুক্তৰ অধ্যক্ষতা এখন প্ৰস্তুতিমূলক বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্তই সকলো বিভাগক নিজৰ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ নিৰ্দেশ দিয়ে।

ooooo

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মাজুলী বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত আত্মসহায়ক গোটৰ ৩১ হাজাৰ ৯৫২ গৰাকী সদস্যাৰ মাজত ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰে। তেওঁ লগতে জিলাখনত কেইবাটাও প্ৰকল্পৰ শুভাৰম্ভ কৰে। জিলাখনৰ গড়মূৰৰ মাণিকা পথাৰত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী যোগেন মহন আৰু মাজুলীৰ বিধায়ক ভূবন গাম উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি মাজুলী-যোৰহাট সংযোগী দলঙৰ অৱশিষ্ট নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰে। এহেজাৰ ১৯ কোটি টকা ব্যয়েৰে এই দলংখন নিৰ্মাণ কৰা হ'ব। তেওঁ লগতে ৩৮২ কোটি টকা ব্যয়সাপেক্ষ মাজুলী-যোৰহাট দলং সংযোগী ৭১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্যৰো শুভাৰম্ভ কৰে। চৰকাৰে জনসাধাৰণৰ সুবিধাৰ্থে একে সময়তে দলং আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ কৰাৰ লক্ষ্য লৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

**-বাইট-(চি এম)**

ড০ শৰ্মাই অসম মালাৰ অধীনত ৬৯৫ কোটি টকা ব্যয়েৰে নিৰ্মিত চাৰিলেনযুক্ত দুখন পকী দলং আৰু বালিচাপৰি-বঙালমৰা সংযোগী পথো মুকলি কৰে। তদুপৰি মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱন আৰু ছাত্ৰী নিবাস, চৰকাৰী আদৰ্শ স্নাতক মহাবিদ্যালয়, সংহত জিলা আয়ুক্তৰ কাৰ্যালয়, জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়, জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়, দক্ষিণপাট সত্ৰ সংগ্ৰহালয় আৰু জ্যোতি-বিষ্ণু সাংস্কৃতিক প্ৰকল্পও মুখ্যমন্ত্ৰীয়ে মুকলি কৰে। দুহেজাৰ ২১৮ কোটি টকা ব্যয়সাপেক্ষে প্ৰকল্পসমূহ নিৰ্মাণ কৰা হৈছে।

ooooo

কাইলৈ বিশ্ব ৰেডিঅ' দিৱস। এইবছৰৰ বিশ্ব ৰেডিঅ' দিৱসৰ মূল ধ্বনি হৈছে- কৃত্ৰিম বুদ্ধিমত্তা আৰু ৰেডিঅ'। বিশ্ব ৰেডিঅ' দিৱসত এইবছৰ কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগৰ ফলত অনাতাঁৰ প্ৰচাৰণৰ ক্ষেত্ৰত আহি পৰা সুবিধা আৰু প্ৰত্যাহবান সম্পৰ্কত আলোচনা কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিশ্ব ৰেডিঅ' দিৱসৰ দিনাৰ পৰাই ইয়াৰ পডকাষ্ট আৰম্ভ কৰিব। কাইলৈ পুৱা ৯ বাজি ২০ মিনিটত প্ৰচাৰিত হ'বলগীয়া আকাশবাণী গুৱাহাটীৰ পডকাষ্টত ভাগ ল'ব কেন্দ্ৰটোৰ মুৰব্বী, অভিযান্ত্ৰিক শাখাৰ উপ সঞ্চালক প্ৰধান ৰবীন চন্দ্ৰ বড়ো আৰু সীমান্ত বাৰ্মাই।

কাইলৈ বিয়লি ৩ বজাত আকাশবাণী গুৱাহাটী কেন্দ্ৰই উজান বজাৰৰ বিবেকানন্দ কেন্দ্ৰত এটা মুকলি কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰিছে। সন্ধিয়া ৫ বাজি ২০ মিনিটত গুৱাহাটী বিশ্ববিদ্যালয়ৰ তথ্য প্ৰযুক্তি বিভাগৰ অধ্যাপক ড০ ৰূপম ভট্টাচাৰ্য্যই ৰেডিঅ' আৰু কৃত্ৰিম বুদ্ধিমত্তা শীৰ্ষক বক্তৃতা প্ৰদান কৰিব।

আনহাতে কাইলৈ আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ কলম্বো কাৰ্য্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড০ অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাতকাৰ বাণীবদ্ধ কৰিব। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ সৈতে ড০ দত্তৰ এই সাক্ষাতকাৰ পৰহিলৈ ১৪ ফেব্ৰুৱাৰীৰ নিশা ৮বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰা হ'ব।

ooooo

কাইলৈ বিশ্ব ৰেডিঅ' দিৱস উপলক্ষে মধ্য অসম ৰেডিঅ' শ্ৰোতা সংঘ দলংঘাটৰ শংকৰ আজান জাতীয় বিদ্যালয়ত ৰেডিঅ' সম্পৰ্কীয় ছবি অঁকা আৰু বক্তৃতা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। কাইলৈ লোকশিল্পী প্ৰতিভা দেৱীক শ্ৰোতা সংঘই শিল্পী বঁটা প্ৰদান কৰাৰ লগতে ৰেডিঅ'ৰ আৰ্হিৰ বাহনেৰে অঞ্চল পৰিভ্ৰমণ আৰু বিনামূলীয়া ৰেডিঅ' বিতৰণৰ দৰে আন কেইবাটাও কাৰ্য্যসূচী গ্ৰহণ কৰিছে।

ooooo

কেন্দ্ৰীয় বাণিজ্য সংঘ আৰু বিভিন্ন শ্ৰমিক সন্থাই আহ্বান জনোৱা সাধাৰণ ধৰ্মঘটৰ মিশ্ৰিত প্ৰভাৱ আজি দেশজুৰি পৰিলক্ষিত হয়। বিভিন্ন প্ৰান্তত যান-বাহনৰ চলাচল ব্যাহত হোৱাৰ লগতে বাণিজ্যিক প্ৰতিষ্ঠানসমূহ বন্ধ হৈ থাকে। অসমৰ মটৰ পৰিবহণ শ্ৰমিক সংগঠনে কেইবাটাও দাবীৰে এই ধৰ্মঘটৰ প্ৰতি সমৰ্থন জনাই ২৪ ঘণ্টাজোৰা

চকা বন্ধ ঘোষণা কৰিছে। গুৱাহাটী মহানগৰীত আজি চিটি বাছৰ চলাচল বন্ধ থাকে যদিও অসম ৰাজ্যিক পৰিবহন নিগমৰ অধীনৰ চিটিবাছসমূহ চলাচল কৰি আছে। খানাপাৰাৰ পৰা বিভিন্ন স্থানলৈ দূৰণিবটীয়াৰ গাড়ী চলাচলো বন্ধ আছে। ঠায়ে ঠায়ে টেক্সি সেৱাও ব্যাহত হৈছে। বন্ধৰ ফলত জনসাধাৰণ সমস্যাৰ সন্মুখীন হোৱা দেখা গৈছে।

চিৰাং জিলাতো বন্ধৰ প্ৰভাৱ পৰিলক্ষিত হয়। জিলাখনত ব্যৱসায়ী যান-বাহনৰ চলাচল বন্ধ হৈ থকাৰ লগতে বেংক তথা বীমা প্ৰতিষ্ঠানসমূহো বন্ধ আছে।

শিলচৰত বন্ধৰ আংশিক প্ৰভাৱ পৰা বুলি আমাৰ সংবাদদাতাই জনাইছে। শিলচৰৰ চেণ্ট্ৰেল ৰোড, পাৰ্ক ৰোড, ক্লাব ৰোড, শ্বিলং পট্টি, জানীগঞ্জ, নিউ শিলচৰকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ অঞ্চলত দোকান পোহাৰ বন্ধ হৈ থকা পৰিলক্ষিত হয়।

শিৱসাগৰ জিলাত শ্ৰমিক সংঘসমূহৰ যৌথ মঞ্চই সমদল উলিয়াই এই ধৰ্মঘটৰ প্ৰতি সমৰ্থন আগবঢ়ায়। একেদৰে, বজালী জিলাতো বিভিন্ন খণ্ডৰ কৰ্মচাৰী আৰু শ্ৰমিক সংঘৰ নেতা-কৰ্মীসকলে হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখযোগ্য যে, শ্ৰম-সংহিতা প্ৰত্যাহাৰৰ দাবীৰে আজি দেশজুৰি বেংক, বীমা, ডাক সেৱা, মহাগাণনিক বিভাগ, আয়কৰ, বি এছ এন এল, বিভিন্ন ৰাজ্যিক কৰ্মচাৰী সংগঠন, তেল, কয়লা, ৰাজহুৱা কৰ্মচাৰী সংগঠন আদিৰ শ্ৰমিক-কৰ্মচাৰীসকলে এই ধৰ্মঘটৰ আহ্বান জনাইছে।

ooooo

কেন্দ্ৰীয় চৰকাৰে প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত অসমলৈ এহেজাৰ ৮১৯ কোটি টকাত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি এই কথা সদৰী কৰি ৰাজ্যৰ উন্নয়ন যাত্ৰাত নিৰন্তৰ আৰোপ কৰা গুৰুত্বৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ শলাগ লয়। মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে এই ধনৰাশিৰে ৰাজ্যখনত এহেজাৰ ৫২২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ আৰু ৩ দশমিক ১-৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ দলং নিৰ্মাণৰ প্ৰকল্প ৰূপায়ন কৰা হ'ব। ইয়াৰ ফলত ৰাজ্যখনত গ্ৰামাঞ্চলৰ যোগাযোগ ব্যৱস্থা অধিক সুদৃঢ় হব আৰু ব্যৱসায় সুচল হৈ পৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

নগাঁও জিলা কৃষি বিভাগৰ উদ্যোগত আজিৰে পৰা দুদিনীয়াকৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহৰ চৌহদত কৃষক মেলা আৰু প্ৰদৰ্শনী অনুষ্ঠিত হৈছে। এই কৃষক মেলাৰ জৰিয়তে অসম কৃষি বিশ্ববিদ্যালয়ে নতুনকৈ উদ্ভাৱন কৰা শস্যৰ বীজ আৰু উৎপাদনশীলতা বৃদ্ধিৰ বাবে বিজ্ঞান আৰু প্ৰযুক্তি কৌশল ব্যৱহাৰৰ বিষয়ে কৃষকসকলক অৱগত কৰোৱা হৈছে। অনুষ্ঠানত নগাঁও জিলাৰ ১৩টা উন্নয়ন খণ্ডৰ অন্তৰ্গত কৃষকসকলে অংশগ্ৰহণ কৰিছে। মেলাৰ সৈতে সংগতি ৰাখি আয়োজন কৰা প্ৰদৰ্শনী জিলাখনৰ কৃষকসকলৰ উৎপাদিত সামগ্ৰীসমূহৰ প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। আজিৰ অনুষ্ঠানত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা, জিলা কৃষি বিষয়া ড০ নিখিল নাৰায়ণ বৰুৱা, চিলঙনীৰ অসম কৃষি বিশ্ববিদ্যালয়ৰ মাণ্ডলিক কৃষি গৱেষণা কেন্দ্ৰৰ মুখ্য বিজ্ঞানী ড০ হিৰণ্য কুমাৰ বৰাকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত অংশ লৈ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই গ্ৰামাঞ্চলৰ কৃষি ক্ষেত্ৰসমূহ জীয়াই ৰাখি ভৱিষ্যত প্ৰজন্মক কৃষিৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰয়োজনীয়তাত গুৰুত্ব আৰোপ কৰে।

**বাইট (দেৱাশীষ শৰ্মা)**

ooooo

মানকাচৰ জিলা প্ৰশাসনে আজি বাউছকাটা অঞ্চলত অবৈধভাৱে চলি থকা ভালেকেইটা ইটাভাটা উচ্ছেদ কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে জিলা প্ৰশাসনে ইয়াৰ পূৰ্বে এই অবৈধ ইটাভাটাসমূহ বন্ধ কৰিবলৈ জাননী জাৰি কৰিছিল। কিন্তু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ইটাভাটাসমূহ বন্ধ নকৰাত জিলা প্ৰশাসনে আজি অভিযান চলাই ৫টা ইটাভাটা উচ্ছেদ কৰে। পৰৱৰ্তী সময়ত পৰ্যায়ক্ৰমে অবৈধভাৱে চলি থকা আন ইটাভাটাসমূহ উচ্ছেদ কৰা হ'ব বুলি মানকাচৰৰ ৰাজহ চক্ৰ বিষয়াই প্ৰকাশ কৰিছে।

## ৰাইট (চক্ৰ বিষয়া)

০০০০০

বাংলাদেশত কটকটীয়া নিৰাপত্তাৰ মাজত আজি সংসদীয় নিৰ্বাচনৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। নিৰ্বাচন আয়োগ সচিবালয়ৰ জ্যেষ্ঠ সচিব আখতাৰ আহমেদে জনোৱা মতে দুপৰীয়া ১২ বজালৈ ৩২ দশমিক ৮-৮ শতাংশ ভোটদান শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। দুখন জিলাত গ্ৰেনেড বিস্ফোৰণকে ধৰি কেতবোৰ বিক্ষিপ্ত ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা গৈছে যদিও কোনো ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ স্থগিত ৰাখিবলগীয়া হোৱা নাই।

ভোটগ্ৰহণ প্ৰক্ৰিয়াত আজি দেশখনৰ ২৯৯টা সমষ্টি সামৰি লোৱা হয়। ছেৰপুৰ বিধানসভা সমষ্টিত এগৰাকী প্ৰাৰ্থীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত ভোটগ্ৰহণ স্থগিত ৰখা হয়। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে, এইবাৰৰ নিৰ্বাচনত ১২ কোটি ৭৭ লাখ ভোটদাতাই ভোটদানৰ অধিকাৰ সাব্যস্ত কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা নেতৃত্বাধীন আবামী লীগক নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ দিয়া হোৱা নাই।

দেশখনত সংসদীয় নিৰ্বাচনৰ লগতে জুলাই ঘোষণা পত্ৰ অনুসৰি সাংবিধানিক আৰু প্ৰতিষ্ঠানগত সংস্কাৰ সন্দৰ্ভত জনমত সংগ্ৰহ কৰা হৈছে।

০০০০০

কামৰূপ মহানগৰ জিলাৰ এক নম্বৰ দেৱানী আদালতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ, কংগ্ৰেছ নেতা জিতেন্দ্ৰ সিং আৰু ভূপেশ ৰাঘেলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ সম্পত্তিক লৈ মানহানিসূচক মন্তব্য প্ৰদানত বাধা আৰোপ কৰিছে। আদালতে লগতে গুৱাহাটীৰ পৰা প্ৰকাশিত অসমীয়া প্ৰতিদিন নামৰ দৈনিক বাতৰি কাকতখনকো মানহানিসূচক বাতৰি পৰিৱেশনত বাধা আৰোপ কৰিছে। আদালতৰ ৰায় সন্দৰ্ভত আজি এখন সংবাদমেলত অসম চৰকাৰৰ মহাধিবক্তা দেৱজিত শইকীয়াই কয়, যে যোৱা ৫ ফেব্ৰুৱাৰীত আয়োজিত এখন সংবাদমেলত গৌৰৱ গগৈকে ধৰি দুয়োগৰাকী কংগ্ৰেছ নেতাই মুখ্যমন্ত্ৰীৰ সা-সম্পত্তি সন্দৰ্ভত কেতবোৰ আপত্তিজনক মন্তব্য কৰিছিল। এনে আপত্তিজনক মন্তব্য আৰু বাতৰিৰ বিৰুদ্ধে মুখ্যমন্ত্ৰীয়ে আদালতত ৫০০ কোটি টকাৰ মানহানিৰ গোচৰ তৰিছিল। আদালতে আজি এই গোচৰৰ শুনানি গ্ৰহণ কৰি পৰৱৰ্তী শুনানি পৰ্যন্ত মানহানিসূচক বক্তব্য কৰাত বাধা আৰোপ কৰিছে।

০০০০০

তথ্য প্ৰযুক্তি, বিজ্ঞান তথা প্ৰযুক্ত বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীৰ সমীপৰ সোণাপুৰত নিৰ্মীয়মান দেশৰ চতুৰ্থখন বিজ্ঞান নগৰীৰ অন্তিম পৰ্য্যায়ৰ নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়।পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীয়ে প্ৰকল্পটোৰ বাকী কামখিনি ১০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰি নগৰীখন উদ্বোধনৰ বাবে সংশ্লিষ্ট বিষয়া অভিযন্তা আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানক নিৰ্দেশ দিয়ে।কেন্দ্ৰীয় চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয়ৰ বিজ্ঞান সংগ্ৰহালয় আঁচনিৰ অধীনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যৌথ পুঁজিৰে সোণাপুৰৰ বিজ্ঞান নগৰী নিৰ্মাণ কৰা হৈছে। ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ বিজ্ঞান সংগ্ৰহালয় হিচাপে নিৰ্মাণ কৰা এই বিজ্ঞান নগৰী উত্তৰ পূৰ্বাঞ্চলৰ আধুনিক বিজ্ঞান শিক্ষা আৰু প্ৰচাৰ কেন্দ্ৰ ৰূপে বিবেচিত হৈছে। এই কেন্দ্ৰত বিজ্ঞানক অধিক মননশীল আৰু বোধগম্য ৰূপত জনসাধাৰণৰ আগত উপস্থাপন কৰিবলৈ বিষয়নিষ্ঠ আৰু ক্ৰিয়াশীল উপাদান থাকিব। ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ জৰিয়তে বিজ্ঞানৰ প্ৰতি অধিক আগ্ৰহী হব বুলি আশা কৰা হৈছে।

০০০০০

চৰাইদেউ জিলাৰ কাকতিবাৰী থানাত ৰুজু হোৱা এটা চাইবাৰ প্ৰৱঞ্চনাৰ গোচৰত চৰাইদেউ আৰক্ষীয়ে বিশেষ সফলতা লাভ কৰিছে। কাকতিবাৰী থানা এলেকাৰ অন্তৰ্গত এজন যুৱকৰ পৰা প্ৰায় ৮ লাখ টকা লুটি নিয়া দুজন অভিযুক্তক আজি আৰক্ষীৰ এটা দলে পশ্চিমবংগৰ ইছলামপুৰৰ পৰা গ্ৰেপ্তাৰ কৰে। আমাৰ চৰাইদেউ জিলাৰ সংবাদদাতাই জনোৱা মতে ঘটনা সংক্ৰান্তত দাখিল কৰা এজাহাৰৰ ভিত্তিত চৰাইদেউ জিলা আৰক্ষীয়ে তৎপৰতাৰে

তদন্ত আৰম্ভ কৰে। উপ-আৰক্ষী অধীক্ষক আৰিয়ান নাথৰ নেতৃত্বত বিশেষ আৰক্ষীৰ দলে অভিযান চলাই মহম্মদ ছিদ্দিকুল হুছেইন আৰু আব্দুল ৰাহিদক পশ্চিমবংগৰ পৰা গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। ধৃত লোক দুজনক ইতিমধ্যে চৰাইদেউ থানালৈ আনি সোধা-পোছা কৰি থকা হৈছে।

০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ভাৰত নামিবিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নামিবিয়াই টছত জিকি ভাৰতক প্ৰথমে বেটিং কৰাৰ বাবে আমন্ত্ৰণ জনাইছে।

মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-চিৰ এখন খেলত ইটালিয়ে আজি নেপালক ১০ উইকেটত পৰাস্ত কৰে। নেপালে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ১৯ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৩ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ইটালিয়ে ১৩ অভাৰত এটাও উইকেট নেহেৰুৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

ইয়াৰ পূৰ্বে আজি শ্ৰীলংকাৰ পাল্লিকেলে আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত শ্ৰীলংকাই ওমানক ১০৫ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৫টা উইকেট হেৰুৱাই ২২৫ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ওমানে নিৰ্ধাৰিত অভাৰত ৯ উইকেটৰ বিনিময়ত ১২০ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে অহা ১৪ ফেব্ৰুৱাৰী শনিবাৰে নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ভাৰতীয় সাংস্কৃতিক গৱেষণা পৰিষদ চমুকৈ আই চি চি আৰৰ শ্ৰীলংকাৰ কলম্বো কাৰ্যালয়ৰ প্ৰাক্তন সঞ্চালক তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ অধ্যাপক ড° অংকুৰণ দত্তৰ সৈতে এটা সাক্ষাৎকাৰ প্ৰচাৰ কৰিব। সাক্ষাৎ গ্ৰহণ আৰু অনুষ্ঠানটোৰ প্ৰযোজনা আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

সমাপ্ত